**REGIONAL NEWS UNIT**
AKASHVANI :: GUWAHATI
0000000000

**Date : 18-05-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***:::::::::::::::::::::::::::::::***

অসমত ষ্টাৰ্টআপৰ দিশত নতুন সম্ভাৱনাময় যুগৰ সূচনা হৈছে বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আজি ঔদ্যোগিক বিনিয়োগৰ বুজাবুজিৰ চুক্তিপত্ৰ বিনিময় অনুষ্ঠানত অংশ লৈ ডঃ শৰ্মাই এইদৰে কয়। দ্বিতীয় এডভাণ্টেজ আছামত দিয়া প্ৰতিশ্ৰুতি অনুসৰি ৰাজ্য চৰকাৰে ঔদ্যোগিকীকৰণৰ জৰিয়তে অসমক বিকশিত কৰাৰ দিশত আগবাঢ়িছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয় যে ৰাজ্যখনত উদ্যোগ স্থাপনৰ ক্ষেত্ৰত কোনো অসুবিধা নহ'বৰ বাবে ভূমি বেংক, আন্তঃগাঁথনি আৰু শক্তি যোগানৰ দৰে অভিনৱ পদক্ষেপ গ্ৰহণ কৰা হৈছে। ডঃ শৰ্মাই অতি কম ধনৰ বিনিময়ত ৰাজ্যৰ বাহিৰত চাকৰি কৰিবলৈ যোৱা যুৱক-যুৱতীসকলক ঘূৰাই আনি নিজ ৰাজ্যতে কৰ্মসংস্থাপন দিয়াৰ বিষয়ত গুৰুত্ব আৰোপ কৰে।

আজিৰ অনুষ্ঠানত ২২ হাজাৰ ৯০০ কোটি টকাৰ ঔদ্যোগিক বিনিয়োগৰ বুজাবুজিৰ চুক্তিপত্ৰ বিনিময় সম্পন্ন হয়। ৰাজ্যৰ বিকাশৰ অংশীদাৰ হিচাপে কেইবাটাও খণ্ডত বৃহৎ বিনিয়োগৰ দিশত ২০টা প্ৰকল্প আনুষ্ঠানিকভাৱে ৰূপায়ণ কৰাৰ বাবে এই অনুষ্ঠানতে পদক্ষেপ গ্ৰহণ কৰা হয়। এই প্ৰকল্পসমূহে ঔদ্যোগিকীকৰণৰ নতুন পথ মুকলি কৰি কৰ্মসংস্থাপন সৃষ্টিৰ লগতে সম্ভাৱনাৰ নতুন দুৱাৰ মুকলি কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

০০০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি অসম চৰকাৰৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ প্ৰায় ১৩ হাজাৰ পদত নিযুক্তি সন্দৰ্ভত ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদৰ বাবে সাক্ষাৎকাৰ, দক্ষতাৰ পৰীক্ষা অনুষ্ঠিত হ'বলগীয়া স্থান আৰু ইয়াৰ বাবে প্ৰয়োজনীয় মানৱ সম্পদকে ধৰি নিযুক্তি প্ৰক্ৰিয়াৰ বিভিন্ন বিষয়ত আলোচনা কৰা হয়। ডঃ শৰ্মাই এই সমগ্ৰ প্ৰক্ৰিয়া স্বচ্ছ আৰু নিকাভাৱে সম্পন্ন কৰাৰ বাবে সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে।

০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত বিজেপিৰ ত্ৰিৰংগা যাত্ৰা অব্যাহত আছে। দৰং জিলা নাগৰিক মঞ্চৰ উদ্যোগত আজি দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ তথা ৰাজ্যিক বিজেপিৰ সভাপতি দিলিপ শইকীয়াই ত্ৰিৰংগা যাত্ৰাৰ নেতৃত্ব দিয়ে। জিলাখনৰ ভেবাৰঘাট কৃষ্টিসংঘৰ খেলপথাৰৰ পৰা উলিওৱা এই তিৰংগা যাত্ৰাত ভালেসংখ্যক লোকে অংশগ্ৰহণ কৰে। বাক্সা জিলাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত মথনগুৰি নিমুৱাত উলিওৱা ত্ৰিৰংগা যাত্ৰাত ভৱানীপুৰৰ বিধায়ক ফনীধৰ তালুকদাৰ, বিটিআৰৰ পাৰিষদ গৌতম দাসকে ধৰি শতাধিক লোকে অংশ লয়। এই যাত্ৰাত অংশগ্ৰহণকাৰীসকলে হাতে হাতে ৰাষ্ট্ৰীয় পতাকা লৈ দেশপ্ৰেমমূলক শ্লোগান আৰু ধ্বনিৰে ভাৰত মাতাৰ বন্দনা কৰে।

00000

বি টি আৰৰ সমাগত নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত আজি তামুলপুৰ জিলাৰ অভিভাৱক মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই এখন দলীয় সভাত অংশগ্ৰহণ কৰে। সভাত জিলাখনৰ বিজেপিৰ ছটা মণ্ডলৰ বহুসংখ্যক কৰ্মকৰ্তাই ভাগ লয়। সভাৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰীগৰাকীয়ে বি টি আৰ নিৰ্বাচনৰ বাবে তেওঁলোক সাজু বুলি উল্লেখ কৰে। এই নিৰ্বাচনৰ বাবে বিজেপিয়ে প্ৰতিখন জিলাতে দলীয় কৰ্মীসকলৰ সৈতে আলোচনাত মিলিত হৈছে বুলি উল্লেখ কৰি মল্ল বৰুৱাই বি টি আৰৰ নিৰ্বাচনত বিজেপিৰ মিত্ৰতা সন্দৰ্ভত দলীয় নেতৃত্বইহে সিদ্ধান্ত ল'ব বুলি প্ৰকাশ কৰে।

00000

বৰপেটা জিলাৰ দংৰাত ব্ৰহ্মপুত্ৰৰ খহনীয়াই উদ্বেগজনক ৰূপ ধাৰণ কৰাৰ পৰিপ্ৰেক্ষিতত আজি জলসম্পদ বিভাগৰ এটা উচ্চ পৰ্যায়ৰ দলে খহনীয়া হৈ থকা স্থানসমূহ পৰিদৰ্শন কৰে। জলসম্পদ বিভাগৰ মুখ্য অভিযন্তাৰ নেতৃত্বত দলটোৱে খহনীয়া হৈ থকা স্থানসমূহৰ ক্ষেত্ৰভিত্তিক বুজ লৈ তাৎক্ষণিকভাৱে প্ৰতিৰোধী ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি জনসাধাৰণক আশ্বাস দিয়ে।

00000

অসম আৰক্ষীৰ বিশেষ কাৰ্যবাহিনীয়ে আজি ধুবুৰী জিলাৰ বিলাসীপাৰাৰ পৰা ভুৱা ছিম কাৰ্ডৰ বেহা চলোৱা এটা চক্ৰ উৎখাত কৰে। বিশেষ কাৰ্যবাহিনীয়ে এই সংক্ৰান্তত হাফিজুৰ ৰহমান নামৰ এজন লোকক আটক কৰি সোধা-পোছা অব্যাহত ৰাখিছে।

00000

গুৱাহাটী মহানগৰ আৰক্ষীয়ে গোপন সূত্ৰৰ ভিত্তিত অভিযান চলাই আজি শিলচৰৰ পৰা গুৱাহাটী অভিমুখে আহি থকা এখন বাহনৰ পৰা বুজন পৰিমাণৰ মাদক দ্ৰব্য জব্দ কৰে। জব্দ কৰা মাদক দ্ৰব্যখিনিৰ মূল্য ৩ কোটি ১৬ লাখ টকা বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। আৰক্ষীয়ে এই মাদক দ্ৰব্যখিনি সৰবৰাহ কৰা এজন লোককো আটক কৰিছে।

00000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি ডেলহি কেপিটেলছে গুজৰাট টাইটানছক জয়ৰ বাবে ২০০ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। কে এল ৰাহুলৰ ১১২ ৰাণৰ সহায়ত ডেলহিয়ে নিৰ্ধাৰিত অভাৰত ৩টা উইকেট হেৰুৱাই ১৯৯ ৰাণ সংগ্ৰহ কৰে।

প্ৰতিযোগিতাত আজি ৰাজস্থানৰ চৱাই মানসিং ষ্টেডিয়ামত অনুষ্ঠিত আন এখন খেলত পঞ্জাব কিংছে ৰাজস্থান ৰয়েলছক ১০ ৰাণত পৰাস্ত কৰে। ৰাজস্থান ৰয়েলছে, পঞ্জাব কিংছে নিৰ্ধাৰণ কৰি দিয়া ২২০ ৰাণৰ লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত সাতটা উইকেট হেৰুৱাই ২০৯ ৰাণহে কৰিবলৈ সমৰ্থ হয়। ৰাজস্থানৰ হৈ ধ্ৰুৱ জুৰেলে সৰ্বাধিক ৫৩ ৰাণ কৰে। পঞ্জাবৰ হৰপ্ৰীত ব্ৰাৰে তিনিটা উইকেট দখল কৰে। হৰপ্ৰীত ব্ৰাৰক প্লেয়াৰ অব দা মেচ হিচাপে ঘোষণা কৰা হয়।

00000

সমাপ্ত